# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি নতুন দিল্লীত আয়োজিত জ্ঞান ভাৰতম্ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদক অৰ্থৱহ বিতৰ্ক আৰু আলাপ আলোচনাৰ মঞ্চলৈ ৰূপান্তৰ কৰিবলৈ ৰাজনৈতিক দল আৰু নিৰ্বাচিত জন প্ৰতিনিধিসকলৰ প্ৰতি আহ্বান জনাইছে।

৩। গুৰুগ্ৰামত আয়োজিত এটা অনুষ্ঠানত আজি আই এন এছ্ আৰাৱলী নামৰ জাহাজখন নৌসেনা বাহিনীত অন্তৰ্ভুক্ত কৰা হ'ব।

৪। ব্ৰাজিলৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জেয়ৰ বোল্‌ছোনাৰোক সামৰিক অভ্যুত্থানৰ ষড়যন্ত্ৰ ৰচনা কৰাৰ অভিযোগত ২৭ বছৰৰো অধিক কাৰাদণ্ডৰে দণ্ডিত কৰা হৈছে।

*আৰু*

৫। বাংলাদেশে যোৱা নিশা এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত হংকঙক ৭ উইকেটত পৰাস্ত কৰি ইতিহাস ৰছনা কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি নতুন দিল্লীত আয়োজিত জ্ঞান ভাৰতম্ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ এই সন্মিলনতে পাণ্ডুলিপিৰ ডিজিটেল ৰূপ প্ৰদান, সংৰক্ষণ আৰু জনসাধাৰণৰ বাবে এনে পাণ্ডুলিপি সহজলভ্য কৰি তোলাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে জ্ঞান ভাৰতম্ নামৰ এখন সুকীয়া ডিজিটেল মঞ্চ মুকলি কৰিব আৰু এটা সমাৱেশতো ভাষণ দিব। পাণ্ডুলিপি ঐতিহ্যৰ মাধ্যমেৰে ভাৰতৰ জ্ঞান ঐহিত্যৰ পুনৰ প্ৰাপ্তি বিষয়বস্তুৰে তিনিদিনীয়া কাৰ্যসূচীৰে কালিৰে পৰা এই সন্মিলন অনুষ্ঠিত হৈছে। ভাৰতৰ অভূতপূৰ্ব পাণ্ডুলিপি সম্পদ ৰাজিক নতুণ প্ৰাণ দিয়াৰ লগতে ইয়াক গোলকীয়া জ্ঞান আলোচনাৰ কেন্দ্ৰ ৰূপে গঢ়ি তোলাৰ বিভিন্ন উপায় সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে এই সন্মিলনত আগশাৰীৰ বিদ্বান, সংৰক্ষণবিদ, প্ৰযুক্তিবিদ আৰু নীতি বিশেষজ্ঞসকল একেখন মঞ্চত উপবিষ্ট হৈছে। সন্মিলনৰ লগত সংগতি ৰাখি দুৰ্লভ পাণ্ডুলিপি আৰু পাণ্ডুলিপি সংৰক্ষণ, ডিজিটেল ৰূপ প্ৰদানৰ প্ৰযুক্তি মেটা ডাটা মান, আইনী পৰিকাঠামো সাংস্কৃতিক কূটনীতি আৰু প্ৰাচীন লিপিৰ অৰ্থ নিৰ্ধাৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত বিদ্বানসকলৰ উপস্থাপনৰ এখন প্ৰদশনীৰো আয়োজন কৰা হৈছে।

০০০০০

মৰিছাচৰ প্ৰধানমন্ত্ৰী ডং নবীনচন্দ্ৰ ৰামগুলামৰ কাশী ভ্ৰমণ চহৰখনৰ সাংস্কৃতিক গুৰুত্ব আৰু ভাৰত আৰু মৰিছাচৰ মাজত শক্তিশালী সাংস্কৃতিক সম্বন্ধৰ পৰিপ্ৰেক্ষিতত বিশেষ হৈ উঠা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কয়, যে এই ভ্ৰমণ কালত হোৱা বৈঠকত তেওঁলোকে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্বন্ধৰ সকলো দিশৰ পৰ্যালোচনা চলায় আৰু বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁলোকে আন্তঃগাঁথনি, স্বাস্থ্য যতন, ডিজিটেল প্ৰযুক্তি, শক্তি আৰু সামুদ্ৰিক সুৰক্ষাকাকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা অধিক গভীৰ কৰি তুলিবলৈ সন্মতি প্ৰকাশ কৰিছে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদক ৰাষ্ট্ৰীয় গুৰুত্ব আৰু জনসাধাৰণৰ স্বাৰ্থৰ সৈতে জড়িত বিভিন্ন বিষয় উত্থাপন কৰিব পৰা অৰ্থৱহ বিতৰ্ক আৰু আলাপ আলোচনাৰ মঞ্চলৈ ৰূপান্তৰ কৰিবলৈ ৰাজনৈতিক দল আৰু নিৰ্বাচিত জনপ্ৰতিনিধিসকলৰ প্ৰতি আহ্বান জনাইছে। বাংগালুৰুত আয়োজিত ভাৰত অঞ্চলৰ কমনৱেলথ সংসদীয় সংস্থাৰ ১১ সংখ্যক সন্মিলনত ভাষণ দি লোকসভাৰ অধ্যক্ষগৰাকীয়ে কালি এইদৰে আহ্বান জনায়। তেওঁ সাংসদ, বিধায়কসকলক দলীয় স্বাৰ্থৰ উৰ্ধলৈ উঠিবলৈ আৰু ৰাইজৰ প্ৰতিনিধি হিচাপে আলোচনাত অংশগ্ৰহণ কৰিবলৈ কয়। অধ্যক্ষগৰাকীয়ে লগতে সদনৰ কাম-কাজৰ নিম্নগামী মানক লৈ অসন্তুষ্টি প্ৰকাশ কৰে।

ooooo

গুৰুগ্ৰামত আয়োজিত এটা অনুষ্ঠানত আজি আই এন এছ আৰাৱলী নামৰ জাহাজখন নৌসেনা বাহিনীত অন্তৰ্ভুক্ত কৰা হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে, যে আৰাৱলী পৰ্বতমালাৰ নামেৰে নামকৰণ কৰা এই জাহাজখনে নৌসেনাৰ তথ্য আৰু যোগাযোগ পৰিকাঠামো সুদৃঢ় কৰিব। অনুষ্ঠানত নৌ সেনা বাহিনীৰ মুৰববী এডমিৰেল দীনেশ কে. ত্ৰিপাঠীয়ে অধ্যক্ষতা কৰিব।

ooooo

নিৰ্বাচন আয়োগে দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ মিডিয়া তথা যোগাযোগ বিষয়াসকলৰ বাবে এখন এদিনীয়া কৰ্মশালাৰ আয়োজন কৰিব। এই কৰ্মশালাত দেশত সংবিধান অনুযায়ী নিৰ্বাচন অনুষ্ঠিত কৰা আৰু আইনী, তথ্যগত আৰু নিয়ম আধাৰিত তথ্য সময়মতে আৰু সমন্বিতভাৱে প্ৰচাৰত গুৰুত্ব আৰোপ কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেছ কুমাৰে নিৰ্বাচন আয়ুক্ত ড০ সুখবীৰ সিং সান্ধু আৰু ডং বিবেক যোশীৰ উপস্থিতিত এই কৰ্মশালা উদ্বোধন কৰিব।

নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে কৈছে, যে নিৰ্বাচনী প্ৰক্ৰিয়াক লৈ জনসাধাৰণক বিপথে পৰিচালিত কৰিব পৰা উদ্দেশ্যে প্ৰণোদিত ভুৱা তথ্যৰ বৰ্ধিত প্ৰচাৰলৈ চাই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

ooooo

ব্ৰাজিলৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জেয়ৰ বোল্‌ছোনাৰোক সামৰিক অভ্যুত্থানৰ ষড়যন্ত্ৰ ৰচনা কৰা আৰু দেশখনৰ গণতান্ত্ৰিক ব্যৱস্থা ধ্বংস কৰাৰ প্ৰয়াসৰ অভিযোগত ২৭ বছৰৰো অধিক কাৰাদণ্ডৰে দণ্ডিত কৰা হৈছে। দেশখনৰ উচ্চতম ন্যায়ালয়ে ২০১৮ চনত ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত বোল্‌ছোনাৰোক ২০২২ চনত নিৰ্বাচনত পৰাজিত হোৱাৰ পাছতো বলপূৰ্বকভাৱে শাসনত অধিষ্ঠিত হৈ থকাৰ প্ৰয়াস চলোৱাৰ অপৰাধত দোষী সাব্যস্ত কৰিছে।

০০০০০

নতুন দিল্লীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত হিচাপে মনোনিত ছৰ্জিঅ' গ'ৰে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক বিশ্বৰ গুৰুত্বপূৰ্ণ সম্পৰ্কসমূহৰ অন্যতম বুলি মন্তব্য কৰিছে। দেশখনৰ উচ্চ সদন চিনেটত নিজৰ নিযুক্তিৰ সময়ত শ্ৰীগ'ৰে, ভাৰতক দেশখনৰ কৌশলগত সহযোগী বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰতৰ ভৌগোলিক অৱস্থান, আৰ্থিক বিকাশ আৰু সামৰিক সামৰ্থই দেশখনক আঞ্চলিক সুস্থিৰতা মূল স্তম্ভ কৰি তোলে। উমৈহতীয়া সমৃদ্ধি আৰু সুৰক্ষাৰ স্বাৰ্থ আগুৱাই নিয়াৰ দিশৰ পৰাও ভাৰত গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। শ্ৰীগ'ৰে কয়, যে তেওঁ ভাৰতৰ সৈতে প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা অধিক গভীৰ কৰি তোলাত গুৰুত্ব আৰোপ কৰিব। ইয়াৰ ভিতৰত যৌথ সামৰিক অনুশীলনৰ সম্প্ৰসাৰণ, প্ৰতিৰক্ষা প্ৰণালীৰ সহ বিকাশ আৰু সহ উৎপাদন আৰু গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা চুক্তিৰ সম্পাদন অন্যতম বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতত ১৪০ কোটি জনসাধাৰণ আৰু ইয়াৰ দ্ৰুত বিকাশশীল মধ্যবিত্ত শ্ৰেণীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ পৰা ভেষজৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত আমেৰিকাৰ বাবে অপাৰ সম্ভাৱনা কঢ়িয়াই আনে। মনোনীত ৰাষ্ট্ৰদূতগৰাকীয়ে কয়, যে আমেৰিকা যুক্তৰাষ্ট্ৰই অহা সপ্তাহত এটা ভাৰতীয় প্ৰতিনিধি দলক ৱাশ্বিংটন ভ্ৰমণলৈ আমন্ত্ৰণ জনাইছে আৰু দুয়োপক্ষ চুক্তি সম্পাদনৰ নিচেই কাষ চাপিছে।

ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কোৱাট্ৰাই ৰাষ্ট্ৰদূত হিচাপে গ'ৰৰ মনোনয়নৰ প্ৰতি আদৰণি জনাই কৈছে যে ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে তেওঁৰ এগৰাকী বিশ্বাসী সহযোগী ভাৰতত দেশখনৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে প্ৰেৰণ কৰিবলৈ ওলাইছে। ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে যোৱা ২২ আগষ্টত তেওঁৰ ঘনিষ্ঠ সহযোগীছৰ্জিঅ' গ'ৰক ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিয়োগ কৰাৰ কথা ঘোষণা কৰিছিল।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাত বিজুলী ঢেৰেকনীৰে প্ৰচুৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, বিহাৰ, ছত্তিশগড়, কৰ্ণাটকৰ ভিতৰুৱা অঞ্চল আৰু মধ্য মহাৰাষ্ট্ৰত প্ৰবল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ওড়িশা, ছিকিম, তামিলনাডু, পুডুচেৰী, তেলেংগানা, উত্তৰাখণ্ডটো একে পৰিৱেশ বাহাল থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

০০০০০

বাংলাদেশে যোৱা নিশা আবু ধাবিত অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত হংকঙক ৭ উইকেটত পৰাস্ত কৰি ইতিহাস ৰছনা কৰে। টি-টুৱেণ্টি প্ৰতিযোগিতাৰ ইতিহাসত হংকঙৰ বিৰুদ্ধে এয়া বাংলাদেশৰ প্ৰথম জয়। দলটোৱে ১৪৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ ৪টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। বাংলাদেশৰ হৈ অধিনায়ক লিটন দাসে ৩৯টা বলত ৫৯ ৰান কৰে। ইয়াৰ আগেয়ে হংকঙে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৪৩ ৰান সংগ্ৰহ কৰে। হংকঙৰ হৈ নিজাকট খানে ৪২ ৰান কৰে। লিটন দাসক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

**সমাপ্ত**